OFFICE OF THE DEPUTY COMMISSIONER
Govt. of Assam
GOALPARA

সত্যমেৱ জয়তে

**অসম চৰকাৰ**

**উপায়ুক্তৰ কাৰ্য্যালয় ::::::::: গোৱালপাৰা**

# জাননী

ইয়াৰ দ্বাৰা সৰ্বসাধাৰণ ৰাইজৰ জ্ঞাতাৰ্থে জনোৱা হয় যে গোৱালপাৰা জিলাৰ লক্ষীপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত চৰকাৰী পঞ্জীয়নভূক্ত ৮/৮৪ সাবাং জুৰিয়া মীন মহলৰ যোৱা ৩১ আগষ্ট, ২০১৮ ইং তাৰিখে ম্যাদ উকলি যোৱাত উক্ত মীন মহলটোৰ পুনঃ পত্তনৰ বাবে ২৩-০৭-২০১৮ ইং তাৰিখে নিবিদা আহ্বান কৰা হৈছিল আৰু ২৭-০৮-২০১৮ ইং তাৰিখে দিনৰ ৩.০০ বজাত উপায়ুক্তৰ কাৰ্যালয়ত নিবিদা সমূহ খোলা হৈছিল।

উক্ত নিবিদা সমূহ খোলাৰ পিছত এজনো নিবিদাকাৰী যোগ্য বুলি বিবেচিত নোহোৱাত উক্ত মীন মহলটোৰ পুনঃ পত্তনৰ বাবে পুনঃ নিবিদা আহ্বান কৰা হ'ল।

চৰকাৰৰ বৰ্তমান নিয়মাৱলী অনুযায়ী উক্ত মীন মহলৰ বছৰি নূন্যতম ৰাজহ ২১,৭০৪.০০ টকা ধাৰ্য কৰা হৈছে।

এই নিবিদাসমূহ অতি উপায়ুক্তৰ কাৰ্যালয়ত অহা ১৫ - ১০-২০১৮ ইং তাৰিখৰ দিনৰ ২.০০ বজালৈ গ্ৰহণ কৰা হ'ব আৰু উক্ত তাৰিখৰ দিনৰ ৩.০০ বজাত নিবিদাসমূহ খোলা হ'ব।

## চৰ্ত্তসমূহ -

১। মাছমৰীয়া লোকৰ দ্বাৰা গঠিত সমবায় আত্ম-সহায়ক গোট NGO আদিক যোগ্যতাৰ ভিত্তিত নিবিদাযোগে নিৰ্বাচিত কৰি ৪০% শ্ৰেণীভূক্ত মীনমহলটো ৭ বছৰৰ বাবে পত্তন দিয়া হ'ব।

২। এশ শতাংশ অনুসূচীত জাতিৰ লোকেৰে গঠিত সমবায় সমিতি নাইবা অনুসুচীত জাতিৰ বৃত্তিৰ মাছমৰীয়া লোক, আত্মসহায়ক গোট, NGO আদিয়ে নিবিদা দাখিল কৰিব পাৰিব। নিবিদাকাৰী গোৱালপাৰা জিলাৰ আৰু মীন মহলখনৰ ওচৰ-চুবুৰীয়া হ'ব লাগিব।

৩। নিবিদা জিলা উপায়ুক্ত কাৰ্য্যালয়তহে নিৰ্দ্দিষ্ট স্থান আৰু তাৰিখত গ্ৰহণ কৰা হ'ব।

৪। ইচ্ছুক নিবিদাকাৰীয়ে ১৫–১০-২০১৮ ইং তাৰিখৰ দিনৰ ২.০০ বজালৈ কাৰ্য্যালয় খোলা থকা সময়ত নিৰ্দ্ধাৰিত নিবিদা বাকচত জমা দিব পাৰিব। নিৰ্দ্ধাৰিত সময়ৰ পিচত কোনো নিবিদা গ্ৰহন কৰা নহ'ব। নিবিদা নিৰ্দ্ধাৰিত প্ৰ-পত্ৰত প্ৰয়োজনীয় তথ্য-পাতি সহ পূৰণ কৰি নিবিদাসহ তলত উল্লেখ কৰা প্ৰমান-পত্ৰসমূহ সংলগ্ন কৰি জমা দিব লাগিব-

ক) মাছমৰীয়া লোকৰ দ্বাৰা গঠিত সমবায় সমিতি, আত্ম সহায়ক গোট এন.জি.ও আদিয়ে সমবায় সমিতিৰ সহকাৰী পঞ্জীয়ক গোৱালপাৰাৰ এশ শতাংশ প্ৰকৃত মাছ মৰীয়াৰ প্ৰমাণ পত্ৰ নিবিদাৰ লগত সংলগ্ন কৰি জমা দিব লাগিব আৰু উক্ত প্ৰমাণ পত্ৰত উল্লেখিত সমবায় সমিতি, আত্ম সহায়ক গোট, এন.জি.ও আদিৰ সকলো সদস্য অনুসূচীত জাতিৰ লোক বুলি উল্লেখ থাকিব লাগিব।

খ) মাছ মৰীয়া লোকৰ দ্বাৰা গঠিত সমবায় সমিতি, আত্ম সহায়ক গোট, এন.জি.ও আদিয়ে সংশ্লিষ্ট চক্ৰ বিষয়াৰ পৰা মীনমহলখনৰ ওচৰ চুবুৰীয়াৰ প্ৰমাণ পত্ৰ নিবিদাৰ লগত সংলগ্ন কৰি জমা দিব লাগিব আৰু উক্ত প্ৰমাণ পত্ৰখনত নিবিদা আহ্বান কৰা মীনমহলখনৰ পৰা উল্লেখিত সমবায় সমিতি, আত্ম সহায়ক গোট, এন.জি.ও আদিৰ নিৰ্দ্দিষ্ট দূৰত্বৰ বিষয়ে স্পষ্টকৈ উল্লেখ থাকিব লাগিব।

গ) নিবিদাকাৰীয়ে মাছ-মৰীয়া লোকৰ দ্বাৰা গঠিত সমবায় সমিতি, আত্ম সহায়ক গোট, এন.জি.ও আদিক জিলা মীন উন্নয়ন বিষয়া গোৱালপাৰাৰ পৰা প্ৰদান কৰা মাছ ধৰাৰ অভিজ্ঞতাৰ প্ৰমাণ পত্ৰ নিবিদাৰ লগত সংলগ্ন কৰি জমা দিব লাগিব আৰু উক্ত প্ৰমাণ পত্ৰত উল্লেখিত সমিতি, গোট, এন.জি.ও আদিৰ সকলো সদস্যৰ মাছ ধৰাৰ আৰু লগতে তাৰ লগত জড়িত আনুসাংগিক কাৰ্য্যকলাপৰ অভিজ্ঞতা থকা বুলি উল্লেখ থাকিব লাগিব। প্ৰমাণ পত্ৰখনত তেওঁলোক কেৱল সেই কৰ্মৰ ওপৰতে নিৰ্ভৰশীল বুলি উল্লেখ থাকিব লাগিব।

ঘ) সংশ্লিষ্ট উপায়ুক্ত মহোদয়ৰ অধীনস্থ বাকীজাই কতৃপক্ষৰ পৰা মাছ মৰীয়া লোকৰ দ্বাৰা গঠিত সমবায় সমিতি, আত্ম সহায়ক গোট, এন.জি.ও আদিয়ে বাকীজাই মুক্ত প্ৰমাণ পত্ৰ নিবিদাৰ লগত সংলগ্ন কৰি জমা দিব লাগিব। উক্ত প্ৰমাণ পত্ৰখন কেৱল সমিতি খনৰ নামত হে থাকিব লাগিব, সমিতিৰ কোনো বিষয়াৰ নামত থাকিব নালাগিব।

ঙ) ৬০ শতাংশ শ্ৰেণীভূক্ত চৰকাৰী মীন মহলৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰথম বছৰৰ ৰাজহৰ নূন্যতম ধাৰ্য্য ১/১০অংশ আমানত ধন হিচাপে কল ডিপোজিত আকাৰত জমা দিব লাগিব।

চ) ১০.০০ টকাৰ ভাৰতীয় পোষ্টেল অৰ্ডাৰ/বেংকাৰ্চ চেক/বেংক ড্ৰাফ।

ছ) সংশ্লিষ্ট কৰ্তৃপক্ষই সমবায় সমিতি, আত্ম সহায়ক গোট, এন.জি.ও আদিক প্ৰদান কৰা পঞ্জীয়ন প্ৰমানপত্ৰ। এই প্ৰমান পত্ৰখন নিবিদা জমা দিয়া সময়লৈকে আদ্যবধিকৰণ/নবীকৰণ থকা হ'ব লাগিব।

জ) আয়কৰ মুক্ত প্ৰমাণ পত্ৰ।

ঝ) মাছ মৰীয়া লোকৰ দ্বাৰা গঠিত সমবায় সমিতি, আত্ম সহায়ক গোট, এন.জি.ও আদিয়ে আয়কৰ কৰ্তৃপক্ষৰ পৰা তেওঁলোকৰ নামত থকা "পান কাৰ্ড" (PAN CARD) নিবিদাৰ লগত সংলগ্ন কৰি জমা দিব লাগিব। সমিতিৰ কোনো বিষয়াৰ ব্যক্তিগত "পান কাৰ্ড" গ্ৰহণযোগ্য নহব।

ঞ) মাছ মৰীয়া লোকৰ দ্বাৰা গঠিত সমবায় সমিতি, আত্ম সহায়ক গোট, এন.জি.ও আদিৰ সভাপতি/সম্পাদকৰ দুকপি প্ৰত্যায়িত ফটোকপি (পাছপোট ছাইজ) নিবিদাৰ লগত সংলগ্ন কৰি জমা দিব লাগিব।

ট) সমবায় সমিতি, আত্ম সহায়ক গোট, এন.জি.ও আদিয়ে ক্ৰমানুসাৰে পূৰ্বৰ তিনি বছৰৰ উৰ্দ্ধত্ত পত্ৰ (Balance Sheet) আৰু লাভ লোকচানৰ হিচাপৰ কপি জমা দিব লাগিব। উক্ত কপিটো সমবায় সমিতিৰ ক্ষেত্ৰত সমবায় বিভাগৰ সংশ্লিষ্ট কৰ্তৃপক্ষৰ দ্বাৰা আৰু এন.জি.ও ৰ ক্ষেত্ৰত পঞ্জীকৃত হিচাপ পৰীক্ষকৰ দ্বাৰা সত্যতা প্ৰমাণিত হ'ব লাগিব।

৫। মোহৰযুক্ত বন্ধ খামৰ ওপৰত অনুজ্ঞা-পত্ৰ পাব বিচৰা মীন মহলৰ নাম উল্লেখ কৰি, নিম্নস্বাক্ষৰকাৰীৰ কাৰ্য্যালয়ৰ নিৰ্দ্ধাৰিত বাকচত জমা দিব লাগিব।